দিনাংক- ২৭ এপ্রিল ২০১৪

## অভিযানসূচী- ২৭ এপ্ৰিল ২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

কংগ্ৰেছ দলৰ অৱস্থা যথেষ্ট প্ৰতিকূল । তেওঁলোক এই নিৰ্বাচনত দুটা সংখ্যালৈ সীমাৱদ্ধ থকাৰ কথা সহজে ল'ব পৰা নাই । কংগ্ৰেছ দলে এইয়া মানি ল'ব লাগে আৰু ভৱিষ্যতৰ পৰিকল্পনা কৰিব লাগে, যিহেতু ৰাজনীতিৰ কেলেণ্ডাৰত কোনো শেষ দিন নাই ।

কিন্তু নাহৰফুতুকী বঘে নিজৰ চিহ্ন নেৰে । কংগ্ৰেছ দলে ভাৱে যে তেওঁলোক কেৱল শাসন কৰিবলৈহে জন্ম লৈছে । তেওঁলোকে আন কোনো দল অথবা ব্যক্তি বিশেষকৈ নৰেন্দ্ৰ মোদী শাসন কৰিব পাৰিব বুলি কল্পনাও কৰিব নোৱাৰে । বাৰ বছৰ ধৰি নৰেন্দ্ৰ মোদীক দোষী সাব্যস্ত কৰিব নোৱাৰা কথাই কংগ্ৰেছ দলৰ মাজৰ ভয়ৰ সৃষ্টি কৰিছে । এইয়াই কাৰণ যে গান্ধী পৰিয়ালে নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে তিক্ত ভাষাৰ ব্যৱহৰ কৰিব'লৈ লৈছে ।

ছলমান খুৰছিদে পৰাস্ত হ'ব বুলি ভাৱি লৈছে । সেইবাবে তেওঁ কব'লৈ লৈছে যে কংগ্ৰেছ দলে তৃতীয় ম'চাক সমৰ্থন দিয়াৰ কথা চিন্তা কৰিব পাৰে । তেওঁলোকৰ এনে ধৰণৰ ৰণনীতিয়ে সৌভাগ্যক্ৰমে তেওঁলোকৰ পক্ষে কাম কৰা দেখা যোৱা নাই । ভোটদাতা সকলেও এনে ৰণনীতিৰ বিষয়ে গম পায় আৰু ভোটৰ জড়িয়তে এইয়া প্ৰমাণো কৰিব । যিসকল লোকে কংগ্ৰেছ দল আৰু তৃতীয় ম'চাক একেলগ কৰাৰ কথা ভাৱিছে , তেওঁলোকেও নিজৰ অসফলতাৰ পৰা বচিব'লৈ ইয়াৰ চেষ্টা কৰিব বিচাৰিছে । এনেধৰণৰ আদৰ্শবিহীন সহযোগিতাই কেতিয়াও ভাল শাসন দিব নোৱাৰে । এনে বহুতো লোক আছে যি শাসনত অস্থিৰতা বিচাৰি সন্তুষ্ট হয় । মই আশাবাদী যে এইবাৰ ভোটদাতাই কেৱল কংগ্ৰেছ দলকেই নহয়, অস্থিৰতা বিচৰা লোককো পৰাস্ত কৰিব ।

### বিষয়বিহীন কেপ্তেইন চাহেব

কিছুমান প্ৰেছ বিজ্ঞপ্তি আৰু নিৰ্মাণ কৰা বিষয়ে কেপ্তেইন অমৰিন্দ্ৰৰ সিঙক এই নিৰ্বাচনত যুজঁ দিয়াৰ শক্তি প্ৰদান কৰিছে । কিন্ত কিছুদিন পূৰ্ব্বে কেপ্তেইন চাহেবে নিজৰ দুৰ্বলতা নিজে ফাদিল কৰিছে । তেওঁ ৰাষ্ট্ৰীয় বিষয়ৰ ওপৰত আলোচনা কৰিব নিবিচাৰে । তেওঁ বাৰে বাৰে ২/৩ বিষয়হে উত্থাপন কৰে যি বৰ্ত্তমানৰ ৰাজনীতিৰ পৰিবেশ অথবা লোকসভা নিৰ্বাচনৰ ক্ষেত্ৰত কোনো মিল নাই । বাৰে বাৰে তেনে

বিষয়ৰ উত্থাপনে কোনো ধৰণৰ বাতৰিৰ সৃষ্টি নকৰে । তেওঁলোকে নিজৰ প্ৰচাৰ অভিযান নিৰস কৰি পেলাইছে ।

কেপ্তেইন চাহেবে মোৰ বিৰুদ্ধে অভিযোগ আনিছে যে মোৰ প্ৰচাৰ অভিযান কৰিব'লৈ বহুতো চেলিব্ৰিটি আহিছে । তেওঁ ঠিকেই কৈছে । মোৰ বৃহৎ সংখ্যাৰ পৰিয়ালৰ সদস্য, ৰাজনীতিৰ বন্ধু আৰু খ্যাতিপ্ৰাপ্ত লোক আছে যি মোৰ হৈ প্ৰচাৰ অভিযান কৰিছে । মোৰ ৰাজনৈতিক বন্ধু আৰু নেতাই মোৰ হৈ প্ৰচাৰ কৰিছে । কিন্তু কেপ্তেইন চাহেবৰ প্ৰচাৰৰ বাবে কিয় কোনো জেষ্ঠ কংগ্ৰেছী নেতা অহা নাই ? তেওঁ কেৱল শ্ৰীযুত আনন্দ শৰ্মাক অনাতহে সক্ষম হ'ব নেকি ?